**প্ৰেছ বাৰ্তা নং ঃ ৩৩৯/২০২২**

**মিছন বসুন্ধৰা ২.০ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে**

## জনসাধাৰণক সেৱা কৰাটো এটা মিছন ঃ মুখ্যমন্ত্ৰী

# ৰাজ্যখনৰ থলুৱা আৰু খিলঞ্জীয়া লোকৰ বাবেই মিছন বসুন্ধৰা ২.০ আৰম্ভ কৰা হৈছে ঃ মুখ্যমন্ত্ৰী

- **মধ্যভোগীক প্ৰশ্ৰয় নিদিয়াকৈ নিকা আৰু স্বচ্ছভাৱে মিছন বসুন্ধৰা ২.০ ৰূপায়ণ কৰিবলৈ বিষয়াসকলক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**
- **কোনো সংগঠিত বেদখলকাৰীয়ে এই মিছনৰ পৰা যাতে সুবিধা আদায় কৰিব নোৱাৰে সেয়া সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীৰ জিলা উপায়ুক্তসকলক নিৰ্দেশ প্ৰদান**

**দিছপুৰ, ১৪ নৱেম্বৰ ঃ** জনসাধাৰণৰ ভূমি অধিকাৰ প্ৰদান কৰিব পৰা কেতবোৰ নতুন সেৱাৰ অন্তৰ্ভূক্তিৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত মিছন বসুন্ধৰা ২.০ ৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই মিছন বসুন্ধৰা ২.০ ৰ অধীনত প্ৰদান কৰিবলগীয়া সেৱাসমূহৰ লগত ৰাজ্যখনৰ পঞ্জীয়ন ক্ষেত্ৰত লোৱা সংস্কাৰী পদক্ষেপৰ অংশ হিচাপে ৰাষ্ট্ৰীয় জেনেৰিক দস্তাবেজ পঞ্জীকৰণ প্ৰণালী (এন জি ডি আৰ এছ) আৰু ই-ষ্টাম্পিং ব্যৱস্থাৰো শুভাৰম্ভ কৰে।

উল্লেখ্য যে মিছন বসুন্ধৰা ২.০ ৰ অধীনত ডিজিটেল মাধ্যমত ৮ টা সেৱা জনসাধাৰণক প্ৰদান কৰা হ'ব। এই সেৱাসমূহ হৈছে— সাধাৰণ চৰকাৰী আৰু চিলিং চৰকাৰী ভূমিৰ পট্টন, দখলীস্বত্ব থকা ৰায়তক মালিকীস্বত্ব প্ৰদান, হস্তান্তৰিত একচনা পট্টাৰ ভূমি চৰকাৰীকৰণ, খিলঞ্জীয়া লোকক বিশেষ খেতিৰ বাবে ভূমি পট্টন, গাঁৱলীয়া চৰণীয়া পথাৰ / বৃত্তিগত চৰণীয়া পথাৰত পূৰ্বে আৱণ্টনপ্ৰাপ্ত / সংস্থাপিত উপযুক্ত লোকক ভূমি পট্টন, জনজাতীয় সম্প্ৰদায়ৰ লোকক বংশানুক্ৰমে ভোগদখল কৰি থকা ভূমিৰ পট্টন, ভূমি হস্তান্তৰ তথা স্বয়ংক্ৰিয় নামজাৰি সেৱা আৰু অনলাইনযোগে মাটিৰ খাজনা পৰিশোধ। আনহাতে, মুখ্যমন্ত্ৰীয়ে আজি শুভাৰম্ভ কৰা ৰাষ্ট্ৰীয় জেনেৰিক দস্তাবেজ পঞ্জীকৰণ প্ৰণালী পৰীক্ষামূলকভাৱে কামৰূপ আৰু দৰং জিলাৰ পঞ্জীয়ন কাৰ্যালয়সমূহত আৰম্ভ কৰা হ'ব। সম্পত্তিৰ পঞ্জীয়নৰ কাৰ্যসমূহ সহজভাৱে, কাৰ্যালয়সমূহলৈ সঘনে অহা-যোৱা নকৰাকৈ ডিজিটেল মাধ্যমত সংহত ৰূপত সমাধা কৰিবলৈ এই পদক্ষেপে ৰাইজক সহায় কৰিব।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই মিছন বসুন্ধৰা ২.০ শুভাৰম্ভ হোৱা আজিৰ দিনটো ৰাজ্যবাসীৰ বাবে এক ঐতিহাসিক দিন বুলি অভিহিত কৰে। তেওঁ কয় যে মিছন বসুন্ধৰা-১ ৰ জৰিয়তে ৰাজহ বিভাগত, চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু জিলাসমূহত জনসাধাৰণৰ সৈতে সম্পৰ্কিত ভূমি বিষয়ক যিবিলাক বিষয় নিষ্পত্তি নোহোৱাকৈ পৰি থাকে বা বিলম্ব হয়, সেই সমূহ বিষয়বোৰক এটা নিৰ্দিষ্ট

সময়ৰ ভিতৰত সমাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা লৈছিল। তেওঁ কয় যে মিছন বসুন্ধৰাৰ প্ৰথম পৰ্যায়ত জনসাধাৰণক উত্তৰাধিকাৰীসূত্ৰে নামজাৰী, দলিলসূত্ৰে নামজাৰী, বিবাদহীন বাটোৱাৰা, একচনীয়া পট্টাৰ পৰা ম্যাদী পট্টালৈ পৰিৱৰ্তন, এবিঘাতকৈ কম ভূমিক কৃষি ভূমিৰ পৰা অকৃষিভূমিলৈ পুনৰ পৰিৱৰ্তন, ৰাজহ নথিৰ পৰা দখলস্বত্ব নথকা পট্টাদাৰৰ নাম কৰ্তন, আৱণ্টিত মাটি ম্যাদী পট্টালৈ পৰিৱৰ্তন, পট্টাদাৰৰ মোবাইল নম্বৰৰ অদ্যৰধিকৰণ, মূল ভূমি নথিৰ অদ্যৰধিকৰণ বা সংশোধন আৰু নাম শুধৰণি বা মাটিকালি শুধৰণিৰ সুবিধা প্ৰদান কৰা হৈছিল। এই পদক্ষেপৰ ফলত ৮ লাখতকৈও অধিক আবেদন ৰাজ্য চৰকাৰে জনসাধাৰণৰ পৰা লাভ কৰিছিল আৰু মাত্ৰ ছমাহৰ ভিতৰত ৬ লাখতকৈও অধিক ব্যক্তিয়ে উপকৃত হ'ব পাৰিছিল। অসম চৰকাৰে ৰাজহুৱা সেৱা সম্বন্ধীয় যিমানবোৰ আঁচনি বৰ্তমানলৈকে গ্ৰহণ কৰিছে তাৰ ভিতৰত মিছন বসুন্ধৰা-১ উজ্জ্বলতম চানেকি হৈ ৰৈ গৈছে বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে মিছন বসুন্ধৰাৰ প্ৰথম পৰ্যায়ে ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীসকলক আকৌ এবাৰ ৰাজহ আইনৰ ভিতৰত সোমাই ৰাজহ বিবাদ, ৰাজহ সম্বন্ধীয় বিভিন্ন বিষয়, সমস্যা আদি নিষ্পত্তি কৰাৰ দিশত এক অন্তৰ্দৃষ্টি প্ৰদান কৰিছিল। সেই অন্তৰ্দৃষ্টিৰ ফলস্বৰূপে ৰাজ্য চৰকাৰে এই মিছন বসুন্ধৰা ২.০ শুভাৰম্ভ কৰি জনসাধাৰণৰ সুবিধাৰ্থে উৎসৰ্গা কৰিব খুজিছে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে কোনো ভূমিত দীৰ্ঘদিন ধৰি বসবাস কৰি অহা ব্যক্তি এগৰাকীয়ে যদি আনুষ্ঠানিকভাৱে সেই ভূমিৰ স্বত্ব লাভ নকৰে বা অধিকাৰ নাপায়, তেতিয়া ব্যক্তিগৰাকীয়ে অসুৰক্ষিত অনুভৱ কৰে। বহুলোকে ব্যক্তিগৰাকীৰ পৰা ইয়াৰ সুযোগ লোৱাৰো অৱকাশ থাকে। তদুপৰি, ভূমিৰ অধিকাৰ নাথাকিলে সামাজিক নিৰাপত্তাহীনতা, পাৰিবাৰিক সমস্যা, বেংকৰ পৰা ঋণ গ্ৰহণৰ সমস্যা আদিৰো উদ্ভৱ হয়। এনে প্ৰেক্ষাপটতে ৰাজ্য চৰকাৰে মিছন বসুন্ধৰা ২.০ ৰ জৰিয়তে জনসাধাৰণৰ ভূমি সম্পৰ্কীয় বহু সমস্যা দূৰীকৰণৰ প্ৰয়াস লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণক সেৱা কৰাটো এটা মিছন। মধ্যভোগীক প্ৰশ্ৰয় নিদিয়াকৈ নিকা আৰু স্বচ্ছভাৱে মিছন বসুন্ধৰা ২.০ ৰূপায়ণ কৰিবলৈও তেওঁ উপস্থিত বিষয়াসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ থলুৱা আৰু খিলঞ্জীয়া লোকৰ বাবেই মিছন বসুন্ধৰা ২.০ আৰম্ভ কৰা হৈছে। কোনো সংগঠিত বেদখলকাৰীয়ে এই মিছনৰ পৰা যাতে সুবিধা আদায় কৰিব নোৱাৰে সেয়া সুনিশ্চিত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। তেওঁ লগতে মিছন বসুন্ধৰা ২.০ ৰ অধীনত ভূমিস্বত্ব লাভৰ বাবে আগবাঢ়ি আহিবলৈ জনসাধাৰণক আহ্বান জনায়।

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, অতিৰিক্ত মুখ্য সচিব ৰবি শংকৰ প্ৰসাদ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব জে বি এক্কা, সমাজ কল্যাণ বিভাগৰ প্ৰধান সচিব মুকেশ সাহু, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আয়ুক্ত সচিব জি দি ত্ৰিপাঠী, ভূমিলেখ্য আৰু জৰীপ অধিকৰ্তা শান্তনু গোটমাৰে, বিত্ত বিভাগৰ আয়ুক্ত সচিব মণিষ ঠাকুৰকে ধৰি বিভিন্ন জিলাৰ উপায়ুক্ত, চক্ৰ বিষয়া, উপ-পঞ্জীয়কসকলকে ধৰি বহু শীৰ্ষ বিষয়া তথা গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**১৪/১১/২০২২**